**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-12-2024
**Time :** 18-00 Hrs.

## Assamese Evening Bulletin

::::::::::::::::::::::::::::::::::::

বৃহস্পতিবাৰৰ নিশা ৯২ বছৰ বয়সত দেহাৱসান ঘটা প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ শেষকৃত্য সম্পূৰ্ণ ৰাষ্ট্ৰীয় মৰ্যাদাৰে আজি দিল্লীৰ নিগমবোধ ঘাটত সম্পন্ন হয়। শেষকৃত্যৰ পূৰ্বে শিখ পুৰোহিত আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ পৰিয়ালৰ লোকে গুৰুবাণী পাঠ কৰে। গাৰ্ড অব্ অনাৰ প্ৰদৰ্শনৰ পাছত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, গৃহমন্ত্ৰী অমিত শ্বাহ, স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডা আৰু লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ড° সিঙৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেকে ধৰি ছোনিয়া গান্ধী, ৰাহুল গান্ধী আৰু অন্যান্য নেতাসকলেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ নশ্বৰ দেহত পুষ্পাঞ্জলি অৰ্পন কৰে। স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, নৌসেনাৰ মুৰব্বী এডমিৰেল দীনেশ কে ত্ৰিপাঠী, বায়ুসেনা মুৰব্বী এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিং, ভূটানৰ ৰজা জিগমে খেচাৰ নামগিয়াল ৱাংচুক আৰু মৰিচাচৰ বিদেশ মন্ত্ৰী ধনঞ্জয় ৰামফুলেও প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰে।

ইয়াৰ আগতে ড° মনমোহন সিঙৰ নশ্বৰ দেহ পুষ্পসজ্জিত বাহনেৰে শোভাযাত্ৰা কৰি মতিলাল নেহৰু মাৰ্গৰ বাসভৱনৰ পৰা আকবৰ ৰোডত থকা কংগ্ৰেছৰ মুখ্য কাৰ্যালয়লৈ নিয়া হয়। কংগ্ৰেছৰ মুখ্য কাৰ্যালয়ত দলীয় নেতা-কৰ্মীসকলে প্ৰয়াত নেতাগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে।

কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰয়াত প্ৰধানমন্ত্ৰী ড° মনমোহন সিঙৰ সমাধি নিৰ্মাণৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনাইছে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কালি নতুন দিল্লীত এই কথা প্ৰকাশ কৰি কয়, যে কংগ্ৰেছ অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গেই কৰা অনুৰোধ মৰ্মে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকে দিল্লীৰ এডোখৰ সুবিধাজনক স্থানত ইয়াৰ বাবে ভূমি আৱণ্টনৰ সিদ্ধান্ত লয়।

০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ উদ্যোগত নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হয়। ওদালগুৰি জিলাৰ ভেৰগাঁও বিধানসভা সমষ্টিৰ এহেজাৰ ৭৩৯ টা পৰিয়ালৰ মাজত ৰেচন কাৰ্ড বিতৰণ কৰা হয়। অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে ভেৰগাঁৰৰ বিষ্ণুৰাভা কৃষ্টি ভৱনত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে আৰম্ভ কৰে। অনুষ্ঠান আৰম্ভ কৰি দিয়া ভাষণত অধ্যক্ষ দৈমাৰীয়ে কয়, যে চৰকাৰে গ্ৰহণ কৰা সকলো আঁচনিৰ বাবে ৰেচন কাৰ্ডক মূল প্ৰমাণপত্ৰ হিচাপে বিবেচনা কৰা হ'ব।

নলবাৰীত আয়োজিত এটা অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই নতুন ৰেচন কাৰ্ড আৰু ই-ৰিক্সা বিতৰণ কৰে।

ধুবুৰীত জিলা গ্ৰন্থাগাৰ প্ৰেক্ষাগৃহত নতুন ৰেচন কাৰ্ড বিতৰণৰ তৃতীয় পৰ্যায়ৰ কাৰ্যসূচী আজি অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰে খাদ্য সুৰক্ষা আইনৰ অধীনত ২০২৩-২৪ বৰ্ষত নতুনকৈ ৪২ লাখ ৮৫ হাজাৰ ৭৪৫ জন নতুন হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰাত সফলতা লাভ কৰিছে। জিলাখনত সৰ্বমুঠ উপকৃত পৰিয়ালৰ সংখ্যা ২৪

হাজাৰ ৭৪৬। কলিয়াবৰত নতুনকৈ ৩ হাজাৰ ২৩৮ টা পৰিয়ালৰ মাজত আজি ৰেচন কাৰ্ড বিতৰণ কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে বিধায়ক তথা মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে।

দৰং জিলাৰ মঙলদৈ বিধানসভা সমষ্টিত নতুনকৈ বাছনিপ্ৰাপ্ত হিতাধিকাৰীসকলৰ মাজত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত মঙলদৈৰ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসৰ লগতে আন আন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। বৰপেটা জিলাৰো চাৰিটা বিধানসভা সমষ্টিত নতুনকৈ আবণ্টিত ৰেচন কাৰ্ডসমূহ বিতৰণ কৰা হয়। বৰপেটাত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মন্ত্ৰী নন্দিতা গাৰ্লোছাই ৩ হাজাৰ ৩৬১ গৰাকী হিতাধিকাৰীক নতুনকৈ ৰেচন কাৰ্ড বিতৰণ কৰে। তেওঁ এই কাৰ্ডৰ জৰিয়তে দুখীয়া পৰিয়ালটোৱে কি কি সুবিধা লাভ কৰিব সেই সম্পৰ্কে বাখ্যা কৰে। মৰিগাঁৱৰ ভূৰবন্ধা ৰাস মন্দিৰ পৰিসৰত অনুষ্ঠিত ৰেচন কাৰ্ড বিতৰণ কাৰ্যসূচীত সমষ্টিটোৰ বিধায়ক ৰমাকান্ত দেউৰী মুখ্য অতিথি হিচাপে উপস্থিত থাকে। আজিৰ কাৰ্যসূচীত মৰিগাঁও সমষ্টিৰ মুঠ ১৪ হাজাৰ ৩২৪ গৰাকী হিতাধিকাৰীক ৰেচন কাৰ্ড প্ৰদান কৰা হয়।

000

ডিব্ৰুগড়ৰ মানকটা চাহবাগিচা খেলপথাৰত আজি অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই অনুষ্ঠানত মন্ত্ৰী অতুল বৰা আৰু পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰী শ্ৰী বৰাই ভাষা সাহিত্যৰ বিকাশৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ বিভিন্ন দিশত চাহ জনগোষ্ঠীৰ লোকসকলে আগবঢ়োৱা অৱদানৰ বিষয়ে উল্লেখ কৰে। মন্ত্ৰী শ্ৰী হাজৰিকাই অনুষ্ঠানত দিয়া ভাষণত কয় যে বৃহত্তৰ অসমীয়া জাতি গঠন তথা ৰাজ্যখনৰ অৰ্থনীতি নিয়ন্ত্ৰণত চাহ জনগোষ্ঠীৰ লোকসকলৰ অপৰিসীম অৱদান আছে। বিগত ২০০ বছৰ ধৰি ৰাজ্যৰ চাহ উদ্যোগটোৰ এইসকল লোকৰ ত্যাগ আৰু পৰিশ্ৰমৰ বলত বৰ্তি আছে বুলি তেওঁ মন্তব্য কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে চাহ জনগোষ্ঠীৰ লোকসকলৰ উন্নয়নৰ বিভিন্ন দিশত চেষ্টা অব্যাহত ৰাখিছে বুলিও তেওঁ মন্তব্য কৰে। আজিৰ অনুষ্ঠানত মন্ত্ৰী বিমল বৰা, ৰূপেশ গোৱালা, বিধায়ক সঞ্জয় কিষাণ, বিনোদ হাজৰিকাৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

000

শিৱসাগৰ ছোৱালী মহাবিদ্যালয় প্ৰাংগণত তিনিদিনীয়া কাৰ্যসূচীৰে সদৌ অসম কবি সন্মিলনত সপ্তদশ দ্বিবাৰ্ষিক পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত হৈছে। আজি দ্বিতীয় দিনা মহাবিদ্যালয় প্ৰাংগণত এই উপলক্ষে উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি হয়। পুৱাৰ ভাগত সদৌ অসম কবি সন্মিলনৰ ৩৭ খন পতাকা একেলগে উত্তোলন কৰা হয়। সন্মিলনৰ পৰৱৰ্তী দুবছৰীয়া কাৰ্যকালৰ বাবে আজিয়েই সভাপতি আৰু প্ৰধান সম্পাদক নিৰ্বাচিত কৰা হয়।

000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি  নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সংবাদমাধ্যমৰ প্ৰচাৰবিমুখ তিনিগৰাকী ব্যক্তিৰ সৈতে আলোচনাৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠানত দৃষ্টিবাধিতসকলৰ বাবে নিৰলসভাৱে কাম কৰি অহা সংগঠন কেয়াৰ ইউ-থ্ৰী ছিক্সটি ফাইভ নামৰ স্বেচ্ছাসেৱী সংগঠনটোৰ প্ৰতিষ্ঠাপক ভৃগু বৰঠাকুৰ, সমাজৰ অৱহেলিত তথা অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ বাবে কাম কৰি অহা সংগঠন হেল্প এইড ফাউণ্ডেচনৰ অধ্যক্ষ অঞ্জুলিনা দেৱ চৌধুৰী আৰু বাটে-পথে অৱহেলিত-অনাদৃত হৈ ঘূৰি ফুৰা কুকুৰ-মেকুৰী প্ৰতিপালন কৰা সংগঠন অভিনৱ প্ৰয়াসৰ অধ্যক্ষ উৰ্মিমালা দাসৰ সৈতে হোৱা

কথা-বতৰা শুনিবলৈ পাব। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত  ফোন কৰি তিনিওগৰাকী অতিথিৰ সৈতে কথা পাতিব পাৰিব।

০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ক'ভিডৰ সময়ছোৱাৰ পৰা বিশেষ ৰে'লগাড়ীৰূপে চলাচল কৰাই থকা ৬০ খন ৰে'লগাড়ীক পুনৰ ইয়াৰ পূৰ্বৰ নম্বৰেৰে চলাচল কৰোৱাৰ সিদ্ধান্ত লৈছে। ইয়াৰ ভিতৰত তিনিচুকীয়া সংমণ্ডলৰ অধীনৰ ১৯ জোৰা ৰে'লগাড়ী, লামডিং সংমণ্ডলৰ অধীনৰ ১৫ জোৰা ৰে'লগাড়ী আৰু ৰঙিয়া সংমণ্ডলৰ অধীনৰ ছজোৰা ৰে'লগাড়ী আছে। ইয়াৰ ভিতৰত শিমলুগুৰি আৰু ডিব্ৰুগড়ৰ মাজত ৭৫৯০৪ আৰু ৭৫৯০৫, মাকুম আৰু ডাঙৰিৰ মাজত চলাচল কৰা ৫৫৬০৩ আৰু ৫৫৬০৪ ৰে'লগাড়ী দুখনো আছে।

০০০

অসম এথলেটিকছ সন্থাৰ উদ্যোগত, মৰিগাঁও জিলা ক্ৰীড়া সন্থা আৰু জিলা প্ৰশাসনৰ সহযোগত কালিৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আৰম্ভ হোৱা আন্তঃজিলা এথলেটিকছ প্ৰতিযোগিতাত প্ৰায় ডেৰ হাজাৰৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। প্ৰতিযোগিতাখনৰ আজিৰ কাৰ্যসূচী সম্পৰ্কত এয়া আমাৰ মৰিগাওঁৰ পৰা আমাৰ সংবাদদাতা ডালিম ফুকন ঃ

বাইট

০০০

সমাপ্ত